# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিশপুৰস্থিত জনতা ভৱন  পৰিসৰৰ লোকসেৱা ভৱনৰ সভাকক্ষত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি বৰ্গৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ কৰ্মশক্তি গতিশীল কৰাৰ লক্ষ্যৰে কৰ্মচাৰীসকলৰ আশা আকাংক্ষা পূৰণ কৰাৰ উদ্দেশ্যে সেৱা বিধিৰ সংশোধনৰ প্ৰস্তাৱ, আপোন ঘৰ আঁচনিৰ সম্প্ৰসাৰণ, চৰকাৰী কৰ্মচাৰী অৱসৰৰ বয়স আদি বিষয়ৰ লগতে কৰ্মচাৰী পৰিষদৰ বিভিন্ন দাবী সম্পৰ্কে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে চৰকাৰে কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ লগতে ৰাজ্যৰ কৰ্মচাৰী সমাজক অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাজ্যবাসী সেৱাত আত্মনিয়োগ কৰি যাবলৈ আহ্বান জনায়। বৈঠকত মুখ্য সচিব ড° ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড° কে কে দ্বিবেদী, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দীপেন শৰ্মা আৰু সাধাৰণ সম্পাদক পংকজ বৰ্মনৰ লগতে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ooooo

১৬ জানুৱাৰীত মৰিগাঁৱত পোনপ্ৰথমবাৰৰ বাবে অসম মন্ত্ৰীসভাৰ  বৈঠক অনুষ্ঠিত হ'ব। ৰাজ্যৰ জনসংযোগ, সংসদীয় পৰিক্ৰমা, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই আজি মৰিগাঁৱ ভ্ৰমণৰ সময়ত এইকথা প্ৰকাশ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, মৰিগাওঁৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ সৈতে মন্ত্ৰীসভাৰ বৈঠকৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰি শ্ৰীহাজৰিকাই কয়, যে বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জোনবিল মেলাত উপস্থিত হ'ব আৰু তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰিব। তেওঁ লগতে জাগীৰোডত নিৰ্মীয়মান চেমিকনডাক্টৰ প্ৰকল্প আৰু দৰং আৰু ভূৰাগাঁৱৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হবলগীয়া দলংস্থলী পৰিদৰ্শন কৰিব।

ooooo

ফ্ৰান্সত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত অহা ১৩ জানুৱাৰীত বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক স্বীকৃতিপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকী এই সন্মান গ্ৰহণৰ বাবে আজি ফ্ৰান্সলৈ ৰাওনা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউয়ে  ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰিছে। এই স্বীকৃতি  লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

আৰক্ষী পৰিদৰ্শক কপিল পাঠকৰ নেতৃত্বত বিশেষ কাৰ্যবাহিনীৰ এটা দলে আজি গুৱাহাটীৰ পানবজাৰ থানা এলেকাৰ অন্তৰ্গত ৰেলৱেৰ ২ নম্বৰ গেটত অভিযান চলাই এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। দলটোৱে অভিযানকালত ১৭ দশমিক ৫০ গ্ৰাম হেৰ'ইন, নগদ ধন আৰু এটা মোবাইল হেণ্ডছেট উদ্ধাৰ কৰে। বিষয়টোৰ তদন্ত অব্যাহত আছে।

০০০০০

মাজুলীৰ স্বেচ্ছাসেৱী সংগঠন মাজুলীৰ সাহিত্যৰ উদ্যোগত আজি জিলাখনৰ পৰিভ্ৰমী পক্ষীৰ আগমনস্থলী চৰাই চোঙত বহুলোক উপস্থিত হৈ নান্দনিক দৃশ্য প্ৰত্যক্ষ কৰে। বিভিন্ন প্ৰজাতিৰ চৰাইৰ কলৰবেৰে মুখৰিত হৈ থকা এই অঞ্চলটো পৰ্যটকৰ বাবে আকৰ্ষণথলী কৰি তুলিবলৈ মাজুলীৰ সাহিত্যই এই সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০০

আকাশবাণীৰ বাতৰিয়ে সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি নিজৰ মান বৰ্তাই ৰাখি আগবাঢ়ি যাব লাগিব। আজি দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে পৰিৱৰ্তিত সময়ৰ লগত খাপ খোৱাকৈ পৰিবেশনশৈলীৰ কিছু ৰূপান্তৰ সাধন কৰি আৰু ভাষাৰ শুদ্ধতা যথাসম্ভৱ অক্ষুন্ন ৰাখি বাতৰি পৰিবেশকসকলে আকাশবাণীৰ বাবে বাতৰি পৰিবেশন কৰিব লাগিব। আজিৰ অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী ড০ দিনেশ চন্দ্ৰ গোস্বামীকে ধৰি কেইবাগৰাকী শ্ৰোতাই শব্দৰ উচ্চাৰণ আৰু বাক্যৰ গাথনিৰ কেতবোৰ ত্ৰুটিও আঙুলিয়াই দিয়ে। আন কেইবাগৰাকীও শ্ৰোতাই আকাশবাণীৰ দৃষ্টিপাত, সংবাদ চলন্তিকাকে ধৰি কেইবাটাও অনুষ্ঠান শুনি ভাল পোৱা বুলি প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বিচিচিআইয়ে ইংলেণ্ডৰ বিৰুদ্ধে হবলগীয়া ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। সেই অনুসাৰে সূৰ্য্য কুমাৰ যাদৱক অধিনায়ক আৰু অক্ষৰ পেটেলক উপ অধিনায়কৰ দায়িত্ব অৰ্পন কৰা হৈছে। মহম্মদ স্বামীৰ এবছৰৰ অধিক কালৰ পাছত ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিছে। দলৰ বাকী খেলুৱৈসকলৰ ভিতৰত সঞ্জু চেমচন, অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, ৰিংকু সিং, নিতিশ কুমাৰ ৰেড্ডী, হৰষিত ৰাণা, অৰ্শদীপ সিং, বৰুণ চক্ৰৱৰ্তী, ৰবি বিষ্ণ'ই, ৱাছিংটন সুন্দৰ, ধ্ৰুৱ জুৰেল আছে। কলকাতাত ২২ জানুৱাৰীত শৃংখলাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

০০০০০

শিৱ থাপাই উত্তৰ প্ৰদেশৰ বৰেইলীত অনুষ্ঠিত পুৰুষৰ এলাইট নেচনেল বক্সিং ছেম্পিয়নশ্বিপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। থাপাই অসমক প্ৰতিনিধিত্ব কৰি আজি ৬০ ৰ পৰা ৬৫ কিলোগ্ৰাম ওজন শাখাত হিমাংশু চাংৱানক ৫-০ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০

বঙাইগাওঁৰ বিশিষ্ট অধিবক্তা বিজয় চৌধুৰীৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। বঙাইগাওঁ অধিবক্তা সন্থাৰ

প্ৰাক্তন সভাপতি চৌধুৰী অসম আন্দোলনৰ সৈতে জড়িত থকাৰ লগতে অসম গণ পৰিষদ, বিজেপি আৰু কেইবাটাও ছাত্ৰ সংগঠনৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত সমগ্ৰ জিলাখনত শোকৰ ছাঁ পৰিছে।

ooooo

সমাপ্ত